بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ    نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ    وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ২৮ এপ্ৰিলত মছজিদ বায়তুল ফতুহ ম'ৰডন লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

জাৰ্মানি ভ্ৰমণকালত মছজিদ সমুহৰ দ্বাৰা উন্মোচন আৰু আন-আন মছজিদৰ আধাৰশিলা স্থাপনৰ মুহূৰ্ত হুযুৰ আনোৱাৰ (আইঃ) ৰ অতি মহত্বপূৰ্ণ মূল্যবান ভাষণ।

হুযুৰ আনোৱাৰ (আইঃ) ৰ ভাষণৰ অতিথি সকলৰ ওপৰত পৰা গতিৰ প্ৰভাৱ আৰু তাৰে কেইটামান ঈমান উদ্দীপক ঘটনা।

২০১৭ চনৰ বৃটেইনৰ পিচ্‌ ছাইম্পোজিয়মৰ ঈমান বৰ্দ্ধক বৰ্ণনা আৰু অতিথি সকলৰ ওপৰত সক্ৰিয় প্ৰভাৱ।

বিশ্বযুদ্ধলৈ বাঢ়িগৈ থকা সমস্যাৱলী আৰু দোৱাৰ তেহেৰিক। এটোমি যুদ্ধৰ পৰা হবলগীয়া ক্ষতিৰ হাতসাৰিবলৈ হোমিঅ ঔষধ সেৱনৰ বা ব্যাৱহাৰৰ উপদেশ।

আলজজায়েৰ আৰু পাকিস্থানৰ আহমদী সকলৰ বাবে বিশেষ দোৱাৰ তেহেৰিক।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; যেতিয়াই মই পৃথিৱীৰ বিভিন্ন প্ৰেছ প্ৰতিনিধি অথবা অমুছলিম সকলৰ সৈতে আলোচনাত বহাৰ সুবিধা পাওঁ বা প্ৰশ্ন উত্তৰৰ সময়ত তেওঁলোকে পোন-পটিয়াকৈ এয়া প্ৰশ্ন কৰে যে; আজি পৃথিৱীত ইছলামলৈ যি ভয়ৰ সঞ্চাৰ হৈছে ইয়াৰ কাৰণ কি ? এয়া কেনেকৈ দুৰ কৰিব পৰা যাব ? কিছুমানে মুকলি ভাৱে আৰু কিছুমানে লুকুৱাই কয় বা ক'ব বিচাৰে যে সম্ভৱত ইয়াৰ মুল কাৰণ হ'ল ইছলামৰ শিক্ষা। সেয়া এই বাৰও জাৰ্মানিত এজন সাংবাদিকে কয় যে জাৰ্মানিত ইছলামৰ প্ৰতি মানুহৰ ভয় বাঢ়ি গৈ আছে। এই বিষয়ে আপুনি কি কৰা উচিত বুলি কব ? হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এইবোৰ প্ৰশ্নই আমালোকৰ তবলিগৰ বাট উন্মোচন কৰে, যে যদি ইছলামৰ প্ৰতি মানুহৰ ভয় বাঢ়ি গৈ আছে তেন্তে সেয়া কিছুমান নিজকে মুছলমান বুলি দাবী কৰা দল অথবা লোকে ইছলামৰ নামত ভুল কাৰ্য্য সম্পাদন আৰু আক্ৰমনাত্মক অত্যাচাৰ উৎপীড়ণৰ কাৰণে বাঢ়ি গৈ আছে। দৰাচলতে এনে অৱস্থা আঁহজৰত (ছাঃ) ৰ ভৱিষ্যতবাণী অনুযায়ী সংগঠিত হৈ আছে আৰু এনেকুৱা সময়য়তে মছিহ মাওউদ আৰু মাহদী মাওউদৰ আবিৰ্ভাৱৰ ভৱিষ্যতবাণী ৰৈ আছে যিজনে ইছলামৰ প্ৰকৃত শিক্ষা পৃথিৱীত প্ৰচাৰ কৰিব আৰু আমাৰ ঈমান অনুযায়ী জমাত আহমদীয়াৰ প্ৰতিষ্ঠাতা জনেই হ'ল সেই মাওউদ, যাৰ বিষয়ে ভৱিষ্যতবাণী কৰা হৈছিল। গতিকে আমালোকৰ কাম-কাজ তেখেতৰেই শিক্ষা অনুযায়ী। তেখেত (আঃ) য়ে আমাক শিক্ষা দিছে যে ইছলামৰ শান্তি আৰু নিৰাপত্তাৰ শিক্ষা পৃথিৱীত প্ৰচাৰ কৰি যোৱা।

হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; সকলো ধৰণৰ অত্যাচাৰ উৎপীড়ণ উগ্ৰবাদ আৰু জুলুম ইছলামী শিক্ষাৰ পৰিপন্থী। তেখেত (আঃ) য়ে আমালোকক কৈছে যে; পৃথিৱীৰ জন্মলগ্নৰ পৰা সকলো সজ ব্যাক্তি সকলে সাক্ষী প্ৰদান কৰি আহিছে যে আল্লাহ তায়লাৰ আনুগত্য কৰা মানৱ জীৱণৰ অমৃত সুধা। আল্লাহ তায়লাৰ যি চৰিত্ৰ, যি গুণাৱলী সেয়া ধাৰণ কৰক তেতিয়াহে মানৱ জীৱণৰ অমৃত লাভ হ'ব। মানৱৰ শাৰিৰীক আৰু আধ্যাত্মিক জীৱণ ইয়াৰ লগতেই সম্পৰ্কিত যে তেওঁলোকে খোদা তায়লাৰ সকলো পৱিত্ৰ চৰিত্ৰ আনুগত্য কৰে যি শান্তিৰ অনাবিল নিজৰা।

গতিকে আল্লাহ তায়লা যি একমাত্ৰ শান্তিৰ আধাৰ সেয়া এজন মুছলমানৰ পৰা বিচাৰে আৰু এয়াই হ'ল কোৰ'আন কৰিমৰ আদেশ যে তাৰ গুণাৱলী ধাৰণ কৰি লোৱা যায়। তেখেত (আঃ) য়ে কৈছে যে; খোদা তায়লা اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ এই (আয়াত) বাক্যৰে কোৰ'আন কৰিমৰ শুভাৰম্ভ কৰিছে। অৰ্থাৎ সেইজন সত্য আৰু স্বয়ং সম্পূৰ্ণ খোদা, যাৰ ওপৰত বিশ্বাস স্থাপন কৰা প্ৰত্যেক জন বান্দাৰ বাবে ফৰজ। সেইজন হ'ল বিশ্বজগতৰ পালন কৰ্ত্তা আৰু তাৰ এই গুণাৱলী কোনো বিশেষ জাতিৰ বাবে সীমাবদ্ধ নহয় আৰু কোনো যুগ অথবা কোনো দেশৰ বাবে নিৰ্দিষ্ঠ নহয়। তেওঁ সকলো জাতি, যুগ, সকলো ঘৰ, সকলো দেশৰ পালন কৰ্ত্তা আৰু সকলো কল্যাণৰ মুল সুঁতি। সকলো শাৰিৰীক আৰু আধ্যাত্মিক শক্তিৰ এয়া হ'ল উৎস। ইয়াৰ পৰাই স্ৰষ্টাৰ সৃষ্টিয়ে লালিত পালিত হৈ আছে আৰু সকলোৰেই এয়া হ'ল আশ্ৰয়স্থল।

গতিকে এয়াই হ'ল সেই জ্ঞান ও ভেদ, যি কোৰ'আন কৰিমৰ শিক্ষাৰ পৰা হজৰত মছিহ মাওউদ (আঃ) য়ে আমাক প্ৰদান কৰিছে।

এয়াই হ'ল সেই নীতি যি পৃথিৱীত শান্তি নিৰাপত্তা প্ৰতিষ্ঠাৰ বাবে অতি প্ৰয়োজন। এয়াই হ'ল সেইবোৰ প্ৰয়োজনীয় কথা যিয়ে পৃথিৱীত শান্তি প্ৰতিষ্ঠাৰ ভিত্তি স্থাপন কৰিব পাৰিব। এই অনিন্দা বাৰ্ত্তা সমুহ জমাত আহমদীয়াই পৃথিৱীৰ প্ৰান্ত প্ৰান্তলৈ প্ৰেৰণ কৰিবলৈ চেষ্টা কৰি আছে সেয়া যদি কিছুমান লোকৰ কাৰ্য্য বা আচৰণে ইছলামৰ নামত পৃথিৱীত দন্ধ বিবাদৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰে তেন্তে সেইবোৰ ইছলামী শিক্ষাৰ দ্বাৰা নহয়, যিটো আল্লাহ তায়লা মুছলমান সকলক দান কৰিছে বৰং এয়া ইছলামী শিক্ষাৰ পৰা আঁতৰি যোৱাৰ বাবেহে হৈছে আৰু এয়া বৰ্তমান যুগত আল্লাহ তায়লাৰ প্ৰেৰিত সাধু পুৰুষ আৰু আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাসক অমান্য কৰাৰ ফলশ্ৰুতিত ঘটিছে।

গতিকে যেতিয়া আমি উক্ত শিক্ষাৰ আলোকত পৃথিৱীক শান্তি, ভ্ৰাতৃত্ববোধ, বন্ধুত্বৰ বাট দেখুৱাও তেতিয়া পৱিত্ৰ চেতা অমুছলিম লোক সকলৰ মুখেৰে এই শব্দ ওলাই পৰে যে ইছলামৰ শিক্ষা দেখোন অতি সুন্দৰ আৰু মনোগ্ৰাহি শিক্ষা। সেয়ে মোৰ জাৰ্মানি ভ্ৰমন কালত এনে বিধৰ কথাৰ বহিঃপ্ৰকাশ ঘটিছে।

Waldshut চহৰত মছজিদ বায়তুল আফিয়তৰ দ্বাৰা উন্মোচন অনুষ্ঠানত এজন ডক্টৰে কয় যে; মোৰ গোটেই জীৱণত এটা চেষ্টা আৰু অভিপ্ৰায় আছিল যে কৰবাত মই কোনো শান্তি প্ৰিয় মুছলমানৰ লগ পাওঁ নেকি ? আপোনালোকে মোৰ সেই ইচ্ছা পূৰণ কৰিলে। মই নিজকে নিজে ধন্য মানিবলৈ লৈছো যে আজি মই সেই লোক সকলক পাই গৈছো।

ইটালিৰ এজনী মহিলা উক্ত অনুষ্ঠানত নিজৰ এজন বন্দুৰ সৈতে উপস্থিত আছিল। তাই কয় যে; মোৰ বন্দুজনে উক্ত অনুষ্ঠানত যোগদান কৰিবলৈ ভয় কৰিছিল কাৰণ তেওঁ ইছলামৰ বিষয়ে সম্পূৰ্ণ বিপৰীত ধাৰণা ৰাখিছিল কিন্তু উক্ত অনুষ্ঠানত অংশগ্ৰহন কৰি ইমাম জমাতৰ ভাষণ শুনাৰ পিছত ইছলামৰ বিষয়ে থকা তেওঁৰ ধাৰণা সমুলি সলনি হৈ যায়। ইমানেই যে তেওঁ লগে-লগেই তেওঁৰ এজন মুছলমান বন্দুক ম্যাচেজ কৰি জনায় যে; মই আজিহে গম পালো যে তোমালোকৰ ধৰ্ম কিমান সুন্দৰ।

আকৌ অইন এজন অতিথিয়ে প্ৰকাশ কৰে যে; আপোনালোকৰ অনুষ্ঠানৰ পৰা মই কিছুমান কল্যাণ লাভ কৰিলো আৰু ইয়ালৈ অহাটো মোৰ বাবে এটা মৰ্যদাৰ কথা। যদি মই আজি ইয়ালৈ নাহিলোহেঁতেন তেন্তে বহুত ডাঙৰ বস্তুৰ পৰা বঞ্চিত হলোহেঁতেন। জমাত আহমদীয়াৰ জৰিয়তে মই প্ৰকৃত ইছলামৰ পৰিচয় লাভ কৰিলো যি টি.ভি ত দেখুৱা ইছলামত কৈ সমুলি ভিন্ন। মই ইয়াত শান্তি আৰু প্ৰেম লাভ কৰিলো। মই ইয়াত এনেকুৱা লোকক লগ পালো যি সকলে ঘৃণাক ঠাই নিদিয়ে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; পত্যেক আহমদীৰ ব্যক্তিগত কামেও নীৰৱ তবলিগৰ কাম কৰি আছে।

আমালোকৰ কণ-কণ ল'ৰা-ছোৱালী সকলেও সমাজত ভালেখিনি প্ৰভাৱ পেলাব পাৰিছে। এই বিষয়ে এজনী মহিলা অতিথিয়ে কয় যে; মই আপোনালোকক ধন্যবাদ জনাওঁ। মোৰ ল'ৰা-ছোৱালী আহমদী ল'ৰা-ছোৱালীৰ সৈতে বন্দুত্ব আছে। যেতিয়াৰ পৰা আহমদী ল'ৰা-ছোৱালীৰ সৈতে বন্দুত্ব গঢ়ি উঠিছে তেতিয়াৰ পৰা মই ইহঁতৰ মাজত ভালেখিনি পৰিবৰ্তন দেখিবলৈ পাইছো। সেয়ে মই জানিব বিচাৰো যে আপোনালোকৰ শিক্ষা কেনে বিধৰ ? মই আজি ইয়াত অহাৰ পিছত গম পালো যে মোৰ ল'ৰা-ছোৱালীয়ে ভাল সঙ্গ লৈছে আৰু নিৰাপত্তাত আছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; ল'ৰা-ছোৱালীৰ দ্বাৰা যি তবলিগৰ কাম চলি আছে সেয়াই আহমাদী পিতৃ-মাতৃৰ ওপৰত আৰু বেছি দায়িত্ব অৰ্পন কৰি আছে। যাতে তেওঁলোকে নিজৰ-নিজৰ ল'ৰা-ছোৱালীৰ তৰবিয়তৰ মান উন্নত কৰে। ইয়াৰ বাবে যেন দোৱা কৰে যাতে আহমদী ল'ৰা-ছোৱালী সকলে বেলেগৰ ওপৰত নেক প্ৰভাৱ পেলাব পাৰে আৰু সমাজৰ পঙ্কিলতাৰ পৰা ৰক্ষা পাব পাৰে। এই নেক আচৰণ সমুহে ভৱিষ্যতত ইনশা আল্লাহ প্ৰকৃত ইছলাম প্ৰচাৰত ভুমিকা গ্ৰহন কৰিব। আমাৰ ল'ৰা-ছোৱালীৰ সৈতে যেতিয়া সেই ল'ৰা-ছোৱালী সকলে খেলিব ফুৰিব আৰু আমাৰ ল'ৰা-ছোৱালী সকলে নিজৰ চাল-চলন ইছলামী শিক্ষাৰ অনুকুলে ৰাখিব তেতিয়া ইনশা আল্লাহ অমুছলিম ল'ৰা-ছোৱালী সকলৰ ফালৰ পৰা বহুতেই আহমদীয়ত গ্ৰহন কৰি ল'ব।

হুযুৰ আনোৱাৰ (আইঃ) য়ে;  আগিছবাৰ্ক চহৰৰ মছজিদ বায়তুল নাছিৰৰ উদ্বোধনী সম্পৰ্কে কয় যে; চহৰখন ডাঙৰ হোৱা হেতুকে বহুত বিদ্ধান লোক সকলে আৰু ৰাজনীতিবিদ সকলে এই উদ্বোধনী অনুষ্ঠানত যোগদান কৰিছিল। ইয়াৰে এজন অতিথিয়ে বৰ্ণনা কৰে যে; এয়া বৰ সুন্দৰ বাৰ্ত্তা যি প্ৰচাৰ কৰা হৈ আছে। মই আশা কৰো যে আপোনালোকৰ এই সু-সংবাদ ইছলামী ৰাষ্ট্ৰ সমুহত প্ৰচাৰ কৰি অধিক সংখ্যক লোকলৈ পৌছাই দিব। তাৰ দ্বাৰা নিশ্চয় শান্তি প্ৰতিষ্ঠিত হ'ব। আশা কৰো যাতে মুছলমান দেশ সমুহৰ মুছলমান সকলে এই কথাবোৰ যেন বুজি পায় আৰু আঁহজৰত (ছাঃ) ৰ সত্য প্ৰাণ দাসৰ জৰিয়তে ইছলামৰ যি দ্বিতীয় নিদৰ্শন প্ৰকাশ ও প্ৰতিষ্ঠা হবলৈ আছে তাৰ যেন সহায়কাৰী হয়। বাধা যেন আৰোপ নকৰে আৰু শত্ৰুতা যেন জন্ম নিদিয়ে।

জাৰ্মানিৰ এজন স্কুল শিক্ষকে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ গৈ কয় যে; মই মোৰ ছাত্ৰ-ছাত্ৰীক ইছলাম সম্পৰ্কে কোনো প্ৰশ্নৰ

উত্তৰ দিব পৰা নাছিলো। কাৰণ মিডিয়াত যিবোৰ প্ৰচাৰ কৰা হৈছিল সেয়া ইছলাম বিৰুদ্ধ আছিল। আজি এই অনুষ্ঠানত ইমাম জমাত আহমদীয়াৰ ভাষণৰ পৰা মোৰ ইমানখিনি জ্ঞান বাঢ়িল যে মই এতিয়া ছাত্ৰ-ছাত্ৰী সকলক প্ৰকৃত ইছলামী শিক্ষা সম্পৰ্কে শিকাব পাৰিম।

আকৌ এজনী মহিলা অতিথিয়ে কয় যে; আপোনালোকৰ খলিফা মহোদয়ৰ ভাষণ শুনি মোৰ হৃদয়ত গভীৰ প্ৰভাৱ পৰিছে। মই নাজানিছিলো যে ইছলামী শিক্ষা ইমান মনোৰম আৰু সুন্দৰ। মই কথাবোৰ শুনি মোৰ হৃদয়ত প্ৰশ্ন উদয় হয় যে ইমান ধুনীয়া শিক্ষা থকা সত্বেও ইছলাম কেনেকৈ ইমান বদনামী হ'ল? মই দোৱা কৰো যে ইছলাম প্ৰচাৰ হওঁক আৰু সকলো লোকলৈ সম্প্ৰচাৰিত হওঁক।

আগিছবাৰ্ক বিশ্ববিদ্যালয়ৰ অধ্যাপক মহোদয়ে কয় যে ইমাম জমাত আহমদীয়াই যি কৈছে সেয়া যদি বাস্তৱিকতে আপোনালোকৰ আহ্বান হয় তেন্তে আপোনালোকৰ কৃতকাৰ্য্যতা অৱশ্যাম্ভাবি। তেওঁ ইমানেই প্ৰভাৱিত হৈ পৰে যে বিশ্ববিদ্যালয়ত প্ৰদৰ্শনী লগোৱাৰ বাবে আবেদন জনায়। তেওঁ ইচ্ছা প্ৰকাশ কৰে যে এই জমাত ৰাইজৰ মাজত বেছিকৈ পৰিচিত হওঁক আৰু ইয়াৰ সংবাদ সকলো লোকলৈ সম্প্ৰচাৰ হওঁক। এজনী মহিলা চিকিৎসকে প্ৰকাশ কৰে যে প্ৰেম, ভালপোৱা আৰু শান্তি নিৰাপত্তাৰ বিষয়ে দিয়া ভাষণে হৃদয় চুই গৈছে। যদি আমি সকলোৱে নিজৰ চুবুৰিয়াৰ প্ৰতি দৃষ্টি ৰাখোতা হওঁ যেনেকৈ ইছলামী শিক্ষায় শিকায় তেন্তে পৃথিৱীখন আৰু সৌন্দৰ্যময় হৈ পৰিব।

আকৌ এজনী মহিলাই কয় যে ইমাম জমাতে ওচৰ-চুবুৰীয়াৰ হ'ক আদায় সম্পৰ্কে মনযোগ আকৰ্ষণ কৰিছে এয়া বৰ ভাল লাগিছে। যদি আমি এই সম্পৰ্কে এক অংশও আমল কৰি লোহেতেন তেন্তে পৃথিৱী আগতকৈ বহুত বেছি শান্তিময় আৰু আনন্দময় হৈ পৰিলেহেঁতেন।

পুলিচ বাহিনীৰ সৈতে সম্পৰ্কিত এজন তুৰ্কি অতিথিয়ে নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ গৈ কয় যে; আজি মই আপোনালোকৰ অনুষ্ঠানত বাৰুকৈয়ে মুগ্ধ হৈছো যদি আপোনালোকে এনেদৰে ইছলামৰ পয়গাম ঠাইয়ে-ঠাইয়ে প্ৰচাৰ কৰি থাকে তেন্তে সম্ভৱত বহুত কৃতকাৰ্যতা লাভ কৰিব পাৰিব। মই পুলিচৰ মানুহ যদিও এনেকুৱা সুন্দৰ ব্যাৱস্থাপনা মই কতো দেখা নাই। মই আপোনালোকৰ ব্যাৱস্থাপনাৰ পৰা বহুত বস্তু শিকিবলৈ পালো।

এজন ছিৰিন বন্দুয়ে কয় যে আপোনালোকে বেলেগ মুছলমানতকৈ বহুত ধুনীয়াকৈ ইছলামী শিক্ষাৰ অৱতাৰণা কৰিছে। এতিয়া মই আৰু বেছিকৈ জানিব চেষ্টা কৰিম আৰু এদিন গৈ হয়তো বয়াত কৰি জমাতৰ অন্তৰ্ভুক্ত হৈ যাম। লগতে আৰু কয় যে; মই ইয়ালৈ অহাৰ আগত শুনিছিলো যে আহমদী সকলৰ কোৰ'আন বেলেগ কিন্তু সেই কথাটো আজি মোৰ ওচৰত ভূল বুলি প্ৰমানিত হ'ল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; মাৰবৰ্ক চহৰত এখন মছজিদৰ আধাৰশিলা স্থাপন কৰা হৈছে তাত অনুষ্ঠিত হোৱা সভাত এজনী মহিলাই কয় যে; ওচৰ-চুবুৰীয়াৰ প্ৰাপ্য হ'ক সম্পৰ্কে দিয়া ভাষণে মোক বৰকৈ মুগ্ধ কৰিছে আৰু মই এজনী ঈছাই লোক হোৱা হেতুকে মোৰ ইচ্ছা হয় যে ঈছাইয় তেওঁ এই শিক্ষা গ্ৰহন কৰি লওঁক। আন এজন অতিথিয়ে কয় যে; নাৰী মৰ্যদা সম্পৰ্কে যি বক্তব্য আগবঢ়াইছে সেয়া সুন্দৰতম ধৰ্মীয় শিক্ষা আৰু আপোনালোকৰ ইয়াত পুৰুষ-মহিলাৰ মৰ্যদা আৰু হ'ক আদায়ৰ মাজত যি সমতা আছে সেয়া মোৰ বৰকৈ পছন্দ হৈছে।

লৰ্ড মেয়ৰ মহোদয়ে নিজে প্ৰভাৱিত হোৱা সম্পৰ্কে বৰ্ণনা কৰে যে এয়া বৰ আফচোচৰ কথা যে মুছলমান সকলৰ ওপৰত মিছা দোষ আৰোপ কৰা হৈ আছে যে মুছলমান সকলে নিজৰ উত্তৰত প্ৰমান আদি দাঙি ধৰিব লগা হৈ আছে। অথচ পশ্চিমীয়া দেশবোৰত যদি কোনো ঈছাই অন্যায় অত্যাচাৰ কৰে যেনে নৰওৱেৰ এজন খৃষ্টান লোকে ঈছাইয়তৰ নামত অইনক হত্যা কৰিছিল তাত কোনেও কোৱা নাছিল যে এয়া এই ধৰ্মৰ দোষ।

মিঃ জুলিয়া নামৰ অতিথি জনে কয় যে; উক্ত অনুষ্ঠানত প্ৰদত্ত ভাষণৰ এই বাক্য শাৰী মোৰ বৰকৈ ভাল লাগিছে যে যদি বান্দাৰ হ'ক আদায় কৰা নহয় তেন্তে খোদা তায়লাৰ ইবাদতৰ কি অৰ্থ থাকিল। তেওঁ উল্লেখ কৰে যে; মই ইয়ালৈ অহাৰ আগত মোৰ ধাৰণা আছিল যে ইছলামে দুনিয়াদাৰী পছন্দৰ শিক্ষা দিয়ে কিন্তু আজিৰ এই অনুষ্ঠানে মোৰ ধাৰণ ইছলাম সম্পৰ্কে যি আছিল সেয়া বিপৰীত ধৰ্মৰ পৰা পৰিত্ৰ কৰি দিছে। মই ইছলামৰ শান্তি আৰু প্ৰেম ভালপোৱাৰ শিক্ষা সম্পৰ্কে ভালদৰে জানিব পাৰিলো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে মছজিদৰ শুভাৰম্ভ আৰু আধাৰ শিলা স্থাপনৰ সময়ত টি.ভি. আৰু কাকত সমুহৰ জৰিয়তে সংজ্ঞা দিয়ে যে ইয়াৰ মাধ্যমত কৌটি-কৌটি মানুহলৈ আহমদীয়ত অৰ্থাৎ প্ৰকৃত ইছলামৰ বাৰ্তা প্ৰেৰণ হৈছে। মই যি খন দেশলৈ যাওঁ সেই খন দেশৰ অৱস্থা সম্পৰ্কে উল্লেখ কৰো। বৃটেইনতো আল্লাহ তায়লাৰ কৃপাত ভালেই কাম চলি আছে। ইছলামী শিক্ষাৰ প্ৰসাৰ ঘটি আছে। বিভিন্ন তনজিমবোৰে আল্লাহ তায়লাৰ কৃপাত জমাতত ভাগে-ভাগে তবলিগৰ কাম কৰি আছে। উদাহৰণ স্বৰূপে যেনে পিচ কনফাৰেঞ্চ অনুষ্ঠিত হৈছে। হুযুৰ আনোৱাৰ (আইঃ) য়ে পিচ ছাইম্পোজিয়মত অংশ গ্ৰহন কৰা কিছুমান অতিথি বৃন্দৰ প্ৰভাৱ সুলভ উক্তি বৰ্ণনা কৰে। উল্লেখ কৰে যে এজন চাৰ্চ্চ ওৱাৰডেন ইয়ালৈ আহিছিল, তাই কৈছে যে এয়া বৰ হৃদয়গ্ৰাহী আৰু শক্তিশালী আহ্বান আছিল। এয়া এক ঐক্যৰ আহ্বান। সমাজত যাৰ আজি বৰ প্ৰয়োজন হৈ পৰিছে। মোৰ এই কথাখিনি বৰকৈ ভাল লাগিছে যি ইমাম জমাতে কোৰ'আন কৰিমৰ এটা

আয়াত পাঠ কৰি বৰ্ণনা কৰিছে যে বিভিন্ন ধৰ্মৰ নেতৃবৃন্দই পৰস্পৰৰ মাজত থকা বৈষম্যমুলক কথাবোৰৰ বুজাপৰা কৰা উচিত। ইবাদতৰ মুল বিষয় বস্তু সমুহ মোৰ বৰকৈ ভাল লাগিছে যে পাঁচ ওয়াক্ত নমাজ পঢ়া অতি প্ৰয়োজনীয়। কিন্তু যদি ইয়াৰ সৈতে সৃষ্টি জীৱৰ সেৱা সংলগ্ন নাথাকে তেন্তে ইবাদতৰ পৰা কোনো লাভ নহয়।

আকৌ এজনী নাৰ্চ ফিউনা চাহিবাই কয় যে; ইমাম জমাত আহমদীয়াই দেখুৱাইছে যে ইছলাম এনেকুৱা এটা ধৰ্ম, যাক লোকে প্ৰকৃতাৰ্থে বুজি লোৱা নাই আৰু উগ্ৰবাদীতাৰ দোষ মিছাকৈয়ে ইছলামৰ গাত জাপি দি আছে। আকৌ এজন চাৰ্চ লিডাৰ মহোদয়ে কয় যে এই ভাষণ বাটৰ সন্ধান দিয়া পোহৰৰ দৰে আছিল। যিয়ে দেখুৱাইছে যে ইছলাম এটা উচ্চ মৰ্যদা সম্পন্ন শান্তিৰ ধৰ্ম।

এখন কোম্পানীৰ ডিৰেক্টৰ চাহিবায় কয় যে; অস্ত্ৰ-সস্ত্ৰৰ ব্যাৱসায় সম্পৰ্কে খলিফা মহোদয়ে কোৱা কথাবোৰ বৰ ভাল লাগিছে। এয়া এনেকুৱা এটা বস্তু য'ত আহিলে আমাৰ চৰিত্ৰৰ পতন ঘটে আৰু ব্যাৱসায়ৰ লাভালাভেই প্ৰাধান্য বিস্তাৰ কৰে। আকৌ কয় যে পৃথিৱীৰ ভৱিষ্যত সম্পৰ্কে ইমাম জমাত আহমদীয়াৰ মুখৰ শব্দ আৰু দোৱা শুনি মই বৰ ব্যাকুলতা অনুভৱ কৰিছিলো। আমি আমাৰ পিছত এখন সুস্থ পৃথিৱী এৰি থৈ যাব লাগিব। আমি যেন অক্ষম ল'ৰা-ছোৱালীৰ পৃথিৱী এৰি থৈ নাযাওঁ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে উল্লেখ কৰে যে; মই ইয়াত জমাতক মনত পেলাই দিব বিচাৰো যে বৰ্তমানে পৃথিৱীৰ অৱস্থা পতন মুখী গতিকে বহুত দোৱা কৰাৰ প্ৰয়োজন আছে। ডাঙৰ-ডাঙৰ শক্তিবোৰ আৰু সৰু দেশবোৰেও যুদ্ধ মতলীয়া হবলৈ লৈছে। সুস্থ বিবেকবান আৰু নেতৃবৃন্ধ লগতে জ্ঞানী লোক সকলে কবলৈ ধৰিছে যে আগন্তুক বিশ্বযুদ্ধৰ সম্ভাৱনা নুই কৰিব লোৱাৰি বৰং যুদ্ধৰ সম্ভাৱনা বাঢ়ি গৈ আছে। আমেৰিকা আৰু কোৰিয়াৰ মাজত সংঘৰ্ষ চলিয়ে আছে। পৰস্পৰে পৰস্পৰক এটমি যুদ্ধৰ হুমকি দি আছে। এনেদৰে মুছলমান নেতা সকলেও অত্যাচাৰ উৎপীড়ণ চলাই আছে। মুঠতে যুদ্ধৰ ময়দানে বিস্তাৰ লাভ কৰি আছে। আল্লাহ তায়লাৰ ওচৰত দোৱা কৰা উচিত যে আল্লাহ তায়লা যেন সিহঁতক বিবেক দান কৰে। জমাতৰ কৰ্তব্য যে হজৰত খলিফা ৰাবে (ৰাহঃ) ৰ হোমিঅ ঔষধৰ যি নোছখা এটমি যুদ্ধৰ ক্ষতিত হাত সাৰিবলৈ দিছিল সেয়া ব্যাৱহাৰ কৰে। কম পক্ষে এয়া ছয় সপ্তাহ ব্যাৱহাৰ কৰিব লাগিব। এটাৰ পিছত আন এটা ঔষধ ব্যাৱহাৰৰ ঘোষণা কৰা হ'ব। কাৰছিনো ছিনো ৰেডিয়ম।

পৰ্তুগালৰ এজন অধ্যাপক ডঃ পুলমৰিচ মহোদয়ে কয় যে আপোনাৰ কথা শুনি আজি প্ৰমাণিত হ'ল যে ন্যায় আৰু শান্তি এটাই শব্দ যাৰ অৰ্থও এটা আৰু এটাক এৰি আনটো বাস্তবায়ন কৰা সম্ভৱ নহয়। গতিকে বুজা যায় যে পৃথিৱীত ন্যায় নাইকীয়া হৈ গৈছে যাৰ বাবে শান্তি নোহোৱা হৈছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কেইবাজন অতিথিৰ ঈমান বৰ্দ্ধক ভাষ্য বৰ্ণনা কৰে আৰু মিডিয়াৰ মাধ্যমত পিচ ছাইম্পোজিয়মৰ ব্যাখা আৰু তবলিগে ইছলাম সম্পৰ্কে উল্লেখ কৰে। উল্লেখ কৰে যে ছছিয়েল মিডিয়াৰ দ্বাৰা ৩.৮ মিলিয়ন লোকলৈ সম্প্ৰচাৰ হৈছে। যেনেদৰে জমাতৰ বাৰ্তা প্ৰচাৰ হৈ আছে তেনেকৈ আমালোকৰ বিৰুধীতাও বাঢ়ি গৈ আছে। বিশেষকৈ মুছলমান ৰাষ্ট্ৰ সমুহত বিৰুধীতায় চৰম ৰূপ লৈ আছে। আলজজায়েৰত তীব্ৰ বিৰুধীতা চলি আছে।

আলজজায়েৰৰ আহমদী সকলৰ বাবে দোৱা কৰিব। আকৌ পাকিস্থানৰ আহমদী সকলৰ বাবে দোৱা কৰিব লগতে গোটেই পৃথিৱীৰ আহমদী সকলৰ বাবে দোৱা কৰিব। আল্লাহ তায়লা যেন সকলো আহমদীক হিফাজত কৰে। আল্লাহ তায়লা যেন আলজজায়েৰৰ নতুন আহমদী সকলক দৃঢ় প্ৰতিষ্ঠিত ৰাখে আৰু তেওঁলোকৰ সমস্যা দুৰ কৰে। (আমিন)

*********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 28 April 2017**

**BOOK POST (PRINTED MATTER)**

**To**

______________________________

______________________________

______________________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890**